যোগাযোগ

**JOGAJOG**
**June : 2018**

**Vol : 10 No:9 Sl No: 116**

**Monthly Newsletter of Assam Association, Delhi**

*Edited By:*
**Hiron Dutta**
Ph: +91 8076347368, 9810452442

***This is a stopgap arrangement till Editor Dr Sangeeta Dutta, who is on leave, takes over again***
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com, assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com

যোগাযোগ - ১১৬

জুন ঃ ২০১৮

## নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে অসম এছোচিয়েছন সৰৱ

আমি সকলোৱেই জানো যে নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬-ৰ বিৰুদ্ধে অসমত তীব্ৰ প্ৰতিবাদ হৈছে, যুটীয়া সংসদীয় সমিতিয়ে ৰাইজৰ মতামত গ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে অসম ভ্ৰমণ কৰিছে, আৰু বিক্ষুব্ধ ৰাইজে বিধেয়কখনৰ বিৰোধিতা কৰি সমিতিৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰিছে।

অসম এছোচিয়েছন, দিল্লীও এই ক্ষেত্ৰত নীৰৱ দৰ্শক হৈ থকা নাই। যোৱা ১২ মে'ৰ দিনা এছোচিয়েছনৰ কাৰ্য্যনিৰ্বাহকৰ এখন জৰুৰী সভাত এই বিষয়টো লৈ বিতং ভাৱে আলোচনা কৰা হয়। যিহেতু এই বিবদমান বিধেয়কখন অসমীয়াৰ বাবে জাতীয় সংকটৰ প্ৰশ্ন হৈ পৰিছে সেয়ে এই ক্ষেত্ৰত দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নিবাসী অসমীয়া ৰাইজৰ হৈ অসম এছোচিয়েছন, দিল্লীয়ে বিধেয়কখনৰ বিৰুদ্ধে এটা স্পষ্ট স্থিতি গ্ৰহণ কৰা উচিত হ'ব বুলি সভাত মত প্ৰকাশ কৰা হয় আৰু সেই মৰ্মে সৰ্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। লগতে নাগৰিকত্ব (সংশোধনী) বিধেয়কৰ

তীব্ৰ বিৰোধিতা কৰি আৰু বিধেয়কখন ততালিকে বাতিল কৰিব লাগে বুলি দাবী জনাই এখন স্মাৰক পত্ৰ যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষলৈ প্ৰেৰণ কৰিবলৈকো সিদ্ধান্ত লোৱা হয়।

সেইমতেই বিগত ২৫ মে’, ২০১৮ তাৰিখে অসম এছোচিয়েছন, দিল্লীৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ স্বাক্ষৰ সম্বলিত এখন স্মাৰক পত্ৰ নাগৰিকত্ব (সংশোধনী) বিধেয়ক, ২০১৬-ৰ যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষৰ কাৰ্য্যালয়ত দাখিল কৰা হয়।

অসম এছোচিয়েছন, দিল্লীৰ এই ইংৰাজীৰে লিখা স্মাৰক পত্ৰখনত এইবুলি কোৱা হৈছে ঃ “... আমি এই কথা জানি আশ্চৰ্যচকিত আৰু ব্যথিত হৈ পৰিছোঁ যে আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ পৰা অহা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টান- এইকেইটা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰাটো সুচল কৰিবৰ মানসেৰে আমাৰ দেশৰ নাগৰিকত্ব আইনখনৰ সংশোধন ঘটাব খোজা হৈছে। অসম এছোচিয়েছন, দিল্লীয়ে এই নাগৰিকত্ব আইনখনৰ প্ৰস্তাৱিত সংশোধনীৰ তীব্ৰ বিৰোধিতা কৰে আৰু নিম্নলিখিত কথাকেইটা স্পষ্ট কৰি দিব খোজে -

“অসমৰে দুৰ্ভাগ্য যে ই বাংলাদেশৰ পৰা ব্যাপক হাৰত ঘটি থকা অবৈধ অনুপ্ৰৱেশৰ সমস্যাটোৰ ভুক্তভোগী হৈ আহিছে যাৰ পৰিণতি স্বৰূপে ৰাজ্যখনৰ জন-গাঁথনিত গুৰুতৰ বিকৃতি ঘটিছে। এই ব্যাপক অনুপ্ৰৱেশে আৰ্থ-সামাজিক বিসংগতি তো আনিছেই, লগতে খিলঞ্জীয়া ৰাইজৰ ভাষা-সংস্কৃতিকো সংকটাপন্ন কৰি তুলিছে। এই সন্দৰ্ভত সন্মানীয় উচ্চতম ন্যায়ালয়ৰ এই মন্তব্যটো প্ৰাসংগিত হ’ব, য’ত কোৱা হৈছিল যে- ‘এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই কথাত কোনো প্ৰকাৰৰ সন্দেহৰ অৱকাশ থাকিব নোৱাৰে যে অসম ৰাজ্যখনে বাংলাদেশী নাগৰিকৰ ব্যাপক হাৰৰ অবৈধ অনুপ্ৰৱেশৰ ফলত বিদেশী আগ্ৰাসন আৰু আভ্যন্তৰীণ অশান্তিৰ সন্মুখীন হ’ব লগাত পৰিছে.’

“সেই কাৰণেই ১৯৮০ ৰ দশকত অসমত বহিৰাগতৰ বিৰুদ্ধে আন্দোলনে গা-কৰি উঠিছিল আৰু ১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা অসম চুক্তি সম্পাদিত হৈছিল। সেই চুক্তিমতে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত ৰাজ্যখনত বাংলাদেশৰ পৰা প্ৰৱেশ কৰা সকলো অবৈধ অনুপ্ৰৱেশকাৰীকে চিনাক্ত কৰিবলৈ আৰু দেশান্তৰিত কৰিবলৈ ভাৰত চৰকাৰ আৰু অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

"বৰ্তমানে সন্মানীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশানুসাৰে অসমত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ প্ৰক্ৰিয়াটো চলি আছে। এনে এটা সময়ত উপৰোক্ত তিনিখন দেশৰ সংখ্যালঘুসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিবৰ বাবে এখন বিধেয়ক উত্থাপন কৰাৰ প্ৰচেষ্টা কিয় চলোৱা হৈছে সেই কথা বোধগম্য নহয়।

"তাৰেই পৰিপ্ৰেক্ষিতত আমি এইবুলি দৃঢ়মত পোষণ কৰোঁ যে, প্ৰস্তাৱিত নাগৰিকত্ব (সংশোধনী) বিধেয়কখন গৃহীত হ'লে বহিৰাগতৰ অধিক হাৰত যি অন্তৰ্প্ৰৱাহ ঘটিব তাৰ অতিৰিক্ত বোজা অসমে বহন কৰিব নোৱাৰে। গতিকে আমি নাগৰিকত্ব (সংশোধনী) বিধেয়ক ২০১৬ প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰক টানি অনুৰোধ কৰিলোঁ।"

## ৰাভা দিৱসৰ আয়োজন

অহা ইংৰাজী ২০ জুন, ২০১৮, বুধবাৰে সন্ধিয়া ৭ বজাত শ্ৰীমন্ত শংকৰদেৱ ভৱনত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ অসম এছোচিয়েছন, দিল্লীয়ে ৰাভা দিৱস উদ্‌যাপন কৰাৰ যো-যা চলাইছে।। এই অনুষ্ঠানত সকলোকে উপস্থিত থাকি উদযাপন সফলমণ্ডিত কৰি তুলিবৰ বাবে এছোচিয়েছনে সাদৰ আমন্ত্ৰণ জনাইছে।

## মেধাৱী ছাত্ৰ-ছাত্ৰীক অসম এছোচিয়েছনৰ সম্বৰ্ধনা

অহা ইংৰাজী ২০ জুন, ২০১৮, বুধবাৰে সন্ধিয়া ৭ বজাত শ্ৰীমন্ত শংকৰদেৱ ভৱনত আয়োজন কৰিবলগীয়া ৰাভা দিৱসৰ এক অংশ হিচাপে সদ্যঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৯০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হ'ব। এনে মেধাৱী শিক্ষাৰ্থী অথবা তেওঁলোকৰ অভিভাৱকসকলক ইয়াত উল্লেখ কৰা নথিসমূহৰ প্ৰতিলিপিৰ সৈতে এছোচিয়েছনৰ সাধাৰণ সম্পাদকৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। নথিসমূহ ১) নম্বৰ প্ৰাপ্তিৰ প্ৰমাণপত্ৰ ২) ঠিকনাৰ প্ৰমাণপত্ৰ। সাধাৰণ সম্পাদক, ভ্ৰাম্যভাষ- ৮৮২৬৮০৩৮৪১/ ৯২১২১৮০৯১৪

# “বিয়লি চ’ৰা”ৰ ব’হাগী মিলন

দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ নিবাসী বয়োজ্যেষ্ঠ অসমীয়াসকলৰ মঞ্চ বিয়লি চ’ৰাৰ উদ্যোগত যোৱা ২৭ ব’হাগ (১১মে)ৰ দিনা বিয়লি শ্ৰীমন্ত শংকৰদেৱ ভৱনত এটি ব’হাগী মিলন অনুষ্ঠানৰ আয়োজন কৰা হয়। সম্পূৰ্ণ ব’হাগ কেন্দ্ৰিক এই বহাগী মিলন সঁচা অৰ্থত এক ব্যতিক্ৰমমূলক উপভোগ্য অনুষ্ঠান আছিল।

বিয়লি চ’ৰাৰ সভাপতি শ্ৰীনৃপেন্দ্ৰ নাথ গঁগৈ দেৱৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা এই তিনিঘন্টীয়া বহাগী মিলন অনুষ্ঠানৰ প্ৰথম অধ্যায়ত দুঘন্টা সময় ধৰি বহাগক লৈ মননশীল চৰ্চা কৰা হয় - দুগৰাকী নিৰ্দিষ্ট বক্তাৰ দুটি সুগভীৰ পুংখানুপুংখ আলোচনাৰ বক্তৃতাৰে। অসমীয়াৰ জনজীৱনত বহাগ শীৰ্ষক প্ৰথম বক্তৃতাটো পাঠ কৰি ড. জয়ন্তীমালা বৰপূজাৰীয়ে ব’হাগৰ সকলো ৰূপ আৰু দিশ সামৰি ভুৰুকাত হাতী ভৰোৱা বুলি ক’ব পাৰি। কবিতাত ব’হাগ বিষয়ক আনটো বক্তৃতা দি শ্ৰী মদন প্ৰসাদ বেজবৰুৱাদেৱে তেখেতৰ স্বভাৱসুলভ মননশীল ভাষণ শৈলীৰে সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰাখে।

সমজুৱাৰ মাজৰ পৰা কৰ্ণেল জিতেন হাজৰিকাদেৱে চমুকৈ দুআষাৰ কয় আৰু এটি স্বৰচিত কবিতা পাঠ কৰে। শ্ৰী ত্ৰৈলোক্য প্ৰসাদ খাওন্দদেৱেও দুআষাৰ কয়। এই ব’হাগী চৰ্চাৰ অধ্যায়টোৰ অধ্যক্ষতা কৰে ড. মলয়া খাওন্দে। তেখেতেও এটি তথ্যগধুৰ চমু ভাষণেৰে সেই অধ্যায়ৰ সামৰণি মাৰে।

কিছু সময়ৰ বিৰতিৰ পিচত দ্বিতীয় অধ্যায়টোত আগবঢ়োৱা হয় গীতৰ শৰাই। প্ৰথমে *ভাৰতৰ পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ*- গীতটি সমৱেত কণ্ঠত পৰিৱেশন কৰে শ্ৰী বিনয়ব্ৰত শৰ্মা, শ্ৰী অতনু প্ৰসাদ বৰুৱা, শ্ৰী গৌৰাঙ্গধৰ ৰাজখোৱা, ডা. বিজয় মাধৱ হাজৰিকা, শ্ৰী নিত্যানন্দ শইকীয়া, ড. ৰীণা শৰ্মা, শ্ৰীমতী ৰীণা ৰাজখোৱা,

শ্ৰীমতী প্ৰাৰ্থনা বৰুৱা আৰু শ্ৰীমতী নিৰ্মলা হাজৰিকাই। একক গীত পৰিৱেশন কৰে ডা. বিজয় মাধৱ হাজৰিকা আৰু শ্ৰীমতী মায়াৰাণী মজিন্দাৰ বৰুৱাই। অতিথি শিল্পী শ্ৰী পাৰ্থপ্ৰতীম দত্তই কেইটিমান গীতেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়ায়। গীতৰ শৰাই অনুষ্ঠানত বাদ্যযন্ত্ৰ সংগত কৰে শ্ৰী পাৰ্থপ্ৰতীম দত্ত আৰু শ্ৰী প্ৰীতম মাওতে।

শেহত শ্ৰী বিনয়ব্ৰত শৰ্মা, শ্ৰী নিত্যানন্দ শইকীয়া আৰু ডা. নিৰ্মল চন্দ্ৰ হাজৰিকাৰ বিহুগীতেৰে সেইদিনাৰ অনুষ্ঠানৰ সামৰণি মৰা হয়। শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহ ঠাঁহ খাই পৰা দৰ্শকসকলে বিয়লি চৰাৰ এই অনুষ্ঠানটোৰ ভূয়সী প্ৰশংসা কৰে।

---


**Packers & Movers**

**Assam Dooars Logistics**

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)